# Sessional Examination, 2021
# Sub : Assamese (Major)
# Paper : 6.4
**Marks : 20** **Time : 1 hour**

১/ তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া । ১x৫ = ৫

ক) লক্ষ্মীনন্দন বৰাই কোনখন গ্ৰন্থৰ বাবে সৰস্বতী সন্মান লাভ কৰিছিল?
খ) দণ্ডিনাথ কলিতাৰ প্ৰথম উপন্যাসখনৰ নাম কি?
গ) প্ৰথম অসমীয়া চুটিগল্পটো কি?
ঘ) 'চিত্ৰতুৰগ' গল্পপুথিখন কোনে ৰচনা কৰিছিল?
ঙ) মুকুটে তাৰ দুদঁতীয়া গৰুটোৰ নাম কি ৰাখিছিল?

২/ চমু উত্তৰ দিয়া । ২x৫ = ১০

ক) "গণপতৰ গাড়োৱান হম। আন নহ'লেও বৰৰঙা-সৰুৰঙাক পাম। সিহঁতে বৰ দুখ পাইছে। মোৰো দুখ বুজিছে।" – এই কথাষাৰিয়ে গ্ৰাম্য সমাজৰ কোনটো দিশৰ ইংগিত বহন কৰিছে?
খ) 'ঘৰপতা ককা' আৰু 'মূলাখোৱা বুঢ়া' – বেজবৰুৱাৰ এই গল্প দুটাক কিয় প্ৰথম অসমীয়া চুটিগল্পৰ মৰ্যাদা প্ৰদান কৰা নহয়?
গ) "সুদূৰ গাঁৱৰ দৰে প্ৰেম এক অবিনাশী স্বপ্ন।" – ইয়াত প্ৰেমক কিয় অবিনাশী স্বপ্ন বোলা হৈছে?
ঘ) "মোৰ লগত তেওঁৰ সম্পৰ্ক বৈচিত্ৰ্যহীন।" – ইয়াত লিলিয়ে কিয় তেওঁৰ স্বামীৰ লগত সম্পৰ্ক বৈচিত্ৰ্যহীন বুলি কৈছে?
ঙ) 'জীৱনৰ বাটত' আৰু 'সেউজী পাতৰ কাহিনী' উপন্যাস দুখন বিৰিঞ্চি কুমাৰ বৰুৱাই কি কি ছদ্মনামত লিখিছে?

৩/ লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' চুটিগল্পটোৰ নামাকৰণ সাৰ্থক হোৱা বুলি তুমি ভাবানে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি প্ৰদান কৰা। ৫

---